# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

------------------

::::::::::::::::::::

১। অসমত কাইলৈৰ পৰা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী-চমুকৈ এছ্ আই আৰৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা। ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ।

২। গুৰুজনাৰ অপূৰ্ব সৃষ্টি বৃন্দাবনী বস্ত্ৰ অসমলৈ অনা সন্দৰ্ভত লণ্ডনৰ সংগ্ৰহালয় কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত আলোচনা সম্পন্ন।

৩। জুবিন গাৰ্গৰ কাইলৈ ওপজা দিন উদ্‌যাপনৰ বাবে ৰাজ্যজুৰি প্ৰস্তুতি।

৪। বাংলাদেশৰ ক্ষমতাচ্যুত প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক দেশখনৰ আন্তৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণৰ মৃত্যুদণ্ডৰ ৰায়।

*আৰু*

৫। ইজিপ্তৰ কাইৰোত অনুষ্ঠিত আই এছ্ এছ এফ ৰাইফল আৰু পিষ্টল ৱৰ্ল্ড ছেম্পিয়নশ্বিপত ভাৰতৰ গুৰপ্ৰীত সিঙৰ ৰূপৰ পদক লাভ।

০০০০

নিৰ্বাচন আয়োগে অসমতো ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী-চমুকৈ এছ্ আই আৰৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। আয়োগৰ নিৰ্দেশনা অনুসৰি ২০২৬ চনৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে ধৰি এই সংশোধনী ঘটাব লাগিব। সেই অনুসৰি কাইলৈৰ পৰা এই সম্পৰ্কীয় নথি পত্ৰ ছপা আৰু নিৰ্বাচনৰ সৈতে জড়িত বিষয়া কৰ্মচাৰীৰ প্ৰশিক্ষণ আৰম্ভ হব। ২১ ডিচেম্বৰৰ পৰা ২৬ ডিচেম্বৰৰ ভিতৰত সমন্বিত খছৰা ভোটাৰ তালিকা প্ৰস্তুত কৰিব লাগিব। ২৭ ডিচেম্বৰত খছৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। এই সম্পৰ্কত থকা দাবী আৰু আপত্তিসমূহ ২ ফ্ৰেব্ৰুৱাৰীৰ ভিতৰত নিষ্পত্তি কৰা হ'ব আৰু অহা বছৰৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচন আয়োগে আজি প্ৰকাশ কৰা জাননী অনুযায়ী সংবিধানৰ ৩২৬ ধাৰাৰ অধীনত আৰু ১৯৫০ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১৬ আৰু ১৯ অনুচ্চেদৰ অধীনত ৰাজ্যখনত বসবাস কৰা আৰু ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হবলগীয়া নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হব।

নিৰ্বাচন আয়োগৰ এই সিদ্ধান্তক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনাই কয় যে, ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ জৰিয়তে অসমে এখন নিকা আৰু উন্নীত ভোটাৰ তালিকা লাভ কৰিব। নিৰ্বাচন আয়োগক এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে অনাগত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে লখিমপুৰ জিলাৰ সোণোৱাল কছাৰী স্বায়ত্ত শাসিত অঞ্চলৰ অন্তৰ্গত ৩ টা সমষ্টিৰ সকলো ভোটগ্ৰহণ কেন্দ্ৰৰ চূড়ান্ত ভোটাৰ তালিকা আজি প্ৰকাশ কৰে। চূড়ান্ত ভোটাৰ তালিকা সংশ্লিষ্ট সকলো নিৰ্বাচনী পঞ্জীয়ক বিষয়া, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, পৌৰ সভাৰ কাৰ্যালয়, টাউন কমিটি, উপ পঞ্জীয়কৰ কাৰ্যালয়, আৰক্ষী থানা, চাহ বাগিচা, গাওঁ পঞ্চায়তৰ কাৰ্যালয়, জিলা প্ৰশাসনৰ ৱেৰছাইট আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাইজে চাব পৰাকৈ উপলব্ধ থাকিব।

০০০০

অসমৰ চহকী ইতিহাস সমৃদ্ধ বৃন্দাৱনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আজি লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত আলোচনা সম্পন্ন হয়। অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰীয়ে এই আলোচনাৰ বাবে লণ্ডনলৈ ৰাওনা হোৱাৰ পূৰ্বেই ইয়াৰ ফলত প্ৰজন্মৰ পাছত প্ৰজন্ম বঞ্চিত হৈ থকা ৰাজ্যৰ জনসাধাৰণে স্বচক্ষে ঐতিহ্যপূৰ্ণ বৃন্দাৱনী বস্ত্ৰখন প্ৰত্যক্ষ কৰিব পাৰিব বুলি উল্লেখ কৰে। লণ্ডনৰ সংগ্ৰহালয়ত থকা এই আপুৰুগীয়া বস্ত্ৰ ২০২৭ চনত ছমাহৰ বাবে অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত ইতিমধ্যে ইংলেণ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছিল। এই অনুসৰি এই বস্ত্ৰভাগ গুৱাহাটীলৈ আনি খানাপাৰাত সংগ্ৰহালয়ত বিশেষভাৱে সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে ভূমিও আৱণ্টন দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। অসমত প্ৰদৰ্শন হোৱাৰ পাছত দিল্লী, মুম্বাই আদিতো বস্ত্ৰখন প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি লণ্ডনৰ প্ৰবাসী ভাৰতীয়সকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত-বিনিময় কৰে।

০০০০

নগাঁও জিলাৰ সংৰক্ষিত বনাঞ্চলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসন সাজু হৈছে। ইয়াৰ বাবে ইতিমধ্যে জাননী জাৰি কৰা হৈছে। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এখন সংবাদ মেলযোগে এই বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে ১৯১৯ চনতে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা ৫ হাজাৰ ৯০০ বিঘাৰো অধিক ভূমি দখল হৈ আছিল। তেওঁ কয় যে এই লোকসকলক পৰ্যাপ্ত সময় দিয়া হৈছে আৰু এই নিৰ্ধাৰিত সময়ৰ ভিতৰত দখলমুক্ত নকৰিলে প্ৰশাসনে উচ্ছেদ অভিযান চলাবলৈ বাধ্য হ'ব।

**বাইট**

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ অবৰ্তমানত কাইলৈ শিল্পীগৰাকীৰ অনুৰাগীসকলে তেওঁৰ ওপজা দিন উদযাপন কৰিবলৈ লৈছে। কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীৰ সৰুসজাই আৰু সোণাপুৰৰ জুবিন ক্ষেত্ৰত এই উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৰাজ্যৰ ৫৩ টা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ইতিপূৰ্বে প্ৰকাশ কৰিছে। ৰাজ্যিক বিজেপিয়ে কাইলৈ ৰাজ্যৰ ৫৩টা স্থানত ৰক্তদান আৰু তেজৰ গ্ৰুপ চিনাক্ত কৰাৰ বাবে জীৱন সুৰভি নামেৰে শিবিৰৰ আয়োজন কৰিছে। দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াই কাইলৈ পুৱা ৯ বজাত শিবিৰ মুকলি কৰিব। বিয়লি ২ বজাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই খানাপাৰা খেলপথাৰত আয়োজিত শিবিৰত ৰক্তদান কৰিব বুলি জানিব পৰা গৈছে।

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে কাইলৈ সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন পালন কৰিবলৈ লৈছে। এই উপলক্ষে জিলাখনৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ কৰা হয়। প্ৰকৃতিপ্ৰেমী শিল্পীগৰাকীৰ আদৰ্শক শ্ৰদ্ধা জনোৱাৰ লগতে অনুসৰণ কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি ছাত্ৰ সন্থাৰ বিষয়ববীয়াই প্ৰকাশ কৰিছে। বিজেপিৰ ডিব্ৰুগড় জিলা, জিলাখনৰ ভাৰতীয় জনতা যুৱ মৰ্চা আৰু মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত কাইলৈ জিলাখনত ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। দিনৰ ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ শিবিৰ মুকলি থাকিব।

বিটিআৰ প্ৰশাসনে প্ৰিয় শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উপলক্ষে কোকৰাঝাৰ জিলাৰ গৌৰাং নৈৰ পাৰৰ চান্দামাৰীত ৩০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা কাইলৈ বিটিআৰৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে স্থাপন কৰিব। ইয়াৰ লগতে গৌৰাং নৈৰ পাৰত বিটিআৰৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে অসমীয়া আৰু বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰিব। ইয়াৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

**বাইট**

কাইলৈ প্ৰিয় শিল্পীগৰাকীৰ কায়িক বিচ্ছেদৰ যন্ত্ৰনা নেওচি ৰাজ্যজুৰি জনসাধাৰণে শিল্পীগৰাকীৰ গীতেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি দিব।

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে কাইলৈ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শিল্পীগৰাকীৰ জন্মদিন পালন কৰা হ'ব। এই উপলক্ষে আজি কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাই ৫৩ জোপা গছপুলি ৰোপণ কৰে। গুৱাহাটী মহাবিদ্যালয়ত কাইলৈ মহাবিদ্যালয়খনৰ শিক্ষক গোটৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে বিয়লি ৩ বজাৰ পৰা প্ৰীতিৰ সুবাসে শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু কটনীয়ানৰ সহযোগত আজিৰে পৰা শিল্পীগৰাকীৰ ওপজা দিন জুবিন সপ্তাহ হিচাপে পালন কৰা হৈছে। আজি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা কাৰ্যসূচীত অভিনেতা যতীন বৰা আৰু সাঁতোৰবিদ এলভিছ আলী হাজৰিকা উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাইও কাইলৈৰ পৰা তিনিদিনীয়াকৈ জুবিন গাৰ্গৰ ওপজা দিন পালন কৰিব। আজি সংগঠনটোৰ বৰপেটা জিলা সমিতিয়ে ওপজা দিনৰ সৈতে সংগতি ৰাখি ৫৩বিধ গছৰ পুলি ৰোপন কৰে। কাইলৈ শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ন্যায়ৰ দাবীৰে সংগঠনটোৱে বৰপেটাত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰিব।

শিৱসাগৰত মিউজিকেল ছোচাইটি অৱ শিৱসাগৰ আৰু শিৱসাগৰবাসী ৰাইজৰ উদ্যোগত শিল্পী সমাজে কাইলৈ প্ৰাণৰ শিল্পীলৈ শ্ৰদ্ধা নিবেদন কৰিব। এই উপলক্ষে শিৱসাগৰ বোৰ্ডিং খেলপথাৰত বিয়লি ৪ বজাত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীতেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে ৰাজ্যখনৰ প্ৰায় ৩০০ শিল্পী অহা ১৯ নৱেম্বৰৰ সন্ধিয়া গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত সমবেত হ'ব। বিয়লি ৫ বজাৰ পৰা হ'বলগীয়া এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ২০০ তকৈ অধিক কণ্ঠশিল্পী আৰু ৭০ গৰাকীৰো অধিক বাদ্যযন্ত্ৰীয়ে ৮গৰাকী সংগীত পৰিচালকৰ তত্বাৱধানত জুবিন গাৰ্গৰ দুকুৰি গীত পৰিবেশন কৰিব। দৰ্শকসকলে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সতীৰ্থ সমাজৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে বিশ্ববৰেণ্য শিল্পী ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনাচক্ৰখন ভূপেন হাজৰিকাৰ ভাতৃ সমৰ হাজৰিকাই উদ্বোধন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৈতে ড০ ভূপেন হাজৰিকাৰ আত্মীয়তাৰ কথা ব্যক্ত কৰে। প্ৰথম দিনা অনুষ্ঠিত দুখন আলোচনা সত্ৰত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক শিক্ষাৰ্থীয়ে আলোচনা পত্ৰ পাঠ কৰে। কাইলৈ বিশিষ্ট শিল্পী কমল কটকীয়ে ভূপেন হাজৰিকা বিষয়ক মূল বক্তৃতা প্ৰদান কৰিব।

০০০০

ড° ভূপেন হাজৰিকাৰ বছৰযোৰাকৈ জন্ম শতবৰ্ষ অনুষ্ঠান উদযাপন হৈ থকাৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধলাশদিয়াৰ ভূপেন হাজৰিকা সেঁতুৰ সমীপতে ড° ভূপেন হাজৰিকাৰ এটা বিশাল প্ৰতিমুৰ্তি স্থাপন কৰা হ'ব বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী শৰ্মাই জনোৱা অনুসৰি কিংবদন্তি সত্বাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই তেওঁ জন্মস্থানৰ সমীপতে প্ৰতিমুৰ্তিটো স্থাপন কৰা হ'ব বুলি জনাইছে।

০০০০

ৰাজ্যৰ ছটা জনগোষ্ঠীক জনজাতিকৰণ সন্দৰ্ভত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উজনি অসমৰ জিলাকেইখনত প্ৰতিবাদ অব্যাহত আছে। আজি দিছপুৰ প্ৰেছ ক্লাবত টাই আহোম যুৱ পৰিষদ অসমে এখন সংবাদমেলত অনুষ্ঠিত কৰি জনজাতিকৰণৰ দাবী সজোৰে উত্থাপন কৰে। এই দাবী পূৰণ নহ'লে অনাগত সময়ত আন্দোলন তীব্ৰ কৰি তোলা হ'ব বুলিও তেওঁলোকে লগতে উল্লেখ কৰে।

বাইট

০০০০

গুৱাহাটীৰ টাডা আদালতে আজি প্ৰাক্তন আলফা নেতা দৃষ্টি  ৰাজখোৱাৰ জামিন মঞ্জুৰ কৰে। এটা অপহৰণৰ গোচৰত অভিযুক্ত দৃষ্টি ৰাজখোৱাই আজি আদালতত হাজিৰ হয়। আদালতে দুজন জামিনদাৰ আৰু প্ৰত্যকৰে এক লাখ টকাৰ জৰিমণাৰ বিনিময়ত ৰাজখোৱাক জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে ১৯৯৩ চনত কাৰ্বি আংলং জিলাৰ খেৰণিত কানহায়ালাল গুপ্তা নামৰ এজন ৰেলৱেৰ  ঠিকাদাৰক অপহৰণৰ এটা গোচৰৰ ভিত্তিত আৰক্ষীয়ে দৃষ্টি ৰাজখোৱাসহ আন কেইবাজনৰো বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। আদালতে গোচৰ সংক্ৰান্তত হাজিৰ হোৱা বাবে দৃষ্টি ৰাজখোৱালৈ চমন জাৰি কৰিছিল যদিও নিৰ্ধাৰিত দিনত হাজিৰ নোহোৱা বাবে আদালতে দৃষ্টি ৰাজখোৱাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। সেই অনুসৰি আজি অভিযুক্ত ৰাজখোৱাই আদালতত হাজিৰ হৈ আদালতৰ কোনো গ্ৰেপ্তাৰী পৰোৱানা লাভ কৰা নাই বুলি অৱগত কৰে। এই ভাষ্যৰ আধাৰতে আদালতে অভিযুক্ত ৰাজখোৱাৰ জামিন মঞ্জুৰ কৰে।

০০০০

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাক আজি বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলে মৃত্যুদণ্ডৰে দণ্ডিত কৰিছে। তেওঁৰ সৈতে বাংলাদেশৰ প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামানকো মৃত্যুদণ্ডৰে দণ্ডিত কৰা হৈছে। ঢাকা আৰক্ষীৰ প্ৰাক্তন মহাপৰিদৰ্শক আল মানুনক একেটা গোচৰতে পাঁচ বছৰৰ কাৰাদণ্ড বিহা হৈছে।

**বাইট**

আজি ঢাকাৰ আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলৰ ন্যায়াধীশ গোলাম মৰ্টুজা মজুমদাৰ, ন্যায়াধীশ ছফিউল আলম মাহমুদ আৰু ন্যায়াধীশ এম এইছ্ এ চৌধুৰীৰ আদালতে এই ৰায়দান কৰাৰ সময়ত আদালতত উপস্থিত জনতাই হৰ্ষধ্বনিৰে এই ৰায়ৰ আদৰণি জনায়। শ্বেইখ হাছিনাৰ বিৰুদ্ধে উত্থাপিত যোৱা বছৰৰ জুন-জুলাই মাহৰ গণ আন্দোলনকাৰীসকলক হত্যাৰ নিৰ্দেশ দিয়া, বিক্ষোভকাৰী ছাত্ৰ আবু ছাঈদক হত্যাৰ নিৰ্দেশ দিয়া আৰু উচতনিমূলক বক্তব্য দিয়াৰ অভিযোগ প্ৰমাণিত হয় আৰু আদালতে শ্বেইখ হাছিনা আৰু প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামানৰ সা-সম্পত্তি বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়ে। অৱশ্যে শ্বেইখ হাছিনাই বৰ্তমান ভাৰতত আশ্ৰয় গ্ৰহণ কৰি থকাৰ পৰিপ্ৰেক্ষিতত আজিৰ এই ৰায় কূটনৈতিক ব্যৱস্থাৰে ভাৰত চৰকাৰলৈ প্ৰেৰণৰ সম্ভাৱনা আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

আজিৰ এই ৰায়দানৰ পূৰ্বে দেশখনৰ ৰাজধানী ঢাকা মহানগৰীকে ধৰি সমগ্ৰ দেশতে ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হয় যদিও আজি ঢাকাৰ বিভিন্ন অঞ্চলত বিক্ষোভকাৰীয়ে গাড়ী, বাছ, এম্বুলেঞ্চ আদিত অগ্নিসংযোগ কৰাৰ লগতে মহানগৰীৰ বিভিন্ন ঠাইত বিস্ফোৰণ সংঘটিত হয়।

০০০০

ইজিপ্তৰ কাইৰোত চলিত আই এছ্ এছ্ এফ ৰাইফল আৰু  পিষ্টল ৱৰ্ল্ড ছেম্পিয়নশ্বিপত ভাৰতৰ গুৰপ্ৰীত সিঙে পুৰুষৰ ২৫ মিটাৰ ইভেণ্টত ৰূপৰ পদক লাভ কৰিছে। বিশ্ব ছেম্পিয়নশ্বিপত গুৰপ্ৰীত সিঙৰ দ্বিতীয়টো পদক। ২০১৮ চনতো গুৰপ্ৰীত সিঙে বিশ্ব ছেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰিছিল। গুৰপ্ৰীতৰ পদকৰ সৈতে ভাৰতে বিশ্ব ছেম্পিয়নশ্বিপত ৩ টা সোণ, ছটা ৰূপ, ৪ টা ব্ৰঞ্জসহ ১৩ টা পদকেৰে তৃতীয় স্থান লাভ কৰি অভিযান সমাপ্ত কৰে। বিশ্ব ছেম্পিয়নশ্বিপত প্ৰথম আৰু দ্বিতীয় স্থানত আছে ক্ৰমে  চীন আৰু কোৰিয়া।

০০০০

সমাপ্ত